# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম        বিষয় ঃ ভাষা-১ (অসমীয়া)        দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল**
**(গুণোৎসৱৰ -২০১৭, ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰঃ**

⇨ শ্ৰুতলিপি লিখোঁতে যতি-বিৰাম চিহ্ন বুজি লিখিব পৰা।

⇨ দ্ৰুত লিখনৰ কৌশল আয়ত্ত কৰা।

⇨ যিকোনো শুনা বা দেখা ঘটনা পৰ্যায়ক্ৰমে লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন -২০১৮) লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) খেল-ধেমালি | - পাঠ নং ৬ |
| খ) প্ৰত্যাহ্বান | - পাঠ নং ৭ |
| গ) বৰফৰ দেশলৈ | - পাঠ নং ৮ |
| ঘ) গড়গাঁও | - পাঠ নং ৯ |
| ঙ) যান্ত্ৰিক মগজু | - পাঠ নং ১০ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সমআচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। গুণোৎসৱ ২০১৭ৰ দ্বিতীয় পৰ্যায়ত সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লিখন কৌশল মূল্যায়নৰ বাবে এটা দফা শ্ৰুতলিপি হিচাপে দিয়া হৈছিল, য'ত যুক্তাক্ষৰ আৰু যতি-বিৰাম চিহ্নৰ বাবে সুবিধা ৰখা হৈছিল। গুণোৎসৱৰ সামগ্ৰিক ফলাফলত দেখা গৈছে যে, ৬৫ শতাংশৰে শ্ৰুতলিপি লিখন কৌশলৰ ফলাফল হতাশাজনক। এই পৰিসংখ্যাই শিক্ষাৰ লগত জড়িত সকলো শ্ৰেণীৰ ব্যক্তিকে চিন্তিত কৰি তুলিছে। লিখন কৌশলৰ অদক্ষতাই ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতা প্ৰকাশত বাধাৰ সৃষ্টি কৰে। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে দীঘলীয়া শব্দ, যুক্তাক্ষৰ আৰু যতি বিৰাম চিহ্নবোৰ ভুল কৰা দেখা গৈছে। বানান ভুল লিখন কৌশলৰ এক জটিল সমস্যা। বানান ভুল হ'লে শব্দৰ অৰ্থও সলনি হ'ব পাৰে বা শব্দটো অৰ্থহীন হ'বও পাৰে। ভাষা শিকনত লিখন কৌশল অতি গুৰুত্বপূৰ্ণ। লিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি আৰু পাঠ্যপুথি বহিৰ্ভূত সকলোবোৰ পঠন অভিজ্ঞতা, চিন্তা আৰু বোধৰ লগত একাত্ম কৰি প্ৰকাশ কৰিব পাৰে। ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ হয় লিখনিৰ জৰিয়তে। সেয়েহে লিখন কৌশলৰ বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ জৰিয়তে বা আধাৰত নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —

ছাত্ৰ-ছাত্ৰীয়ে -

⇨ বানানৰ শুদ্ধতাই লিখন কৌশলৰ মান উন্নত কৰিব।

⇨ শুনি বা পঢ়ি বোধগম্যহোৱা কথাবোৰ নিজৰ ভাষাৰে লিখি সুন্দৰ আৰু সাৱলীলভাৱে প্ৰকাশ কৰাৰ দক্ষতা আহৰণ কৰিব।

⇨ লিখনত যুক্তাক্ষৰযুক্ত শব্দবোৰ শুদ্ধকৈ লিখিব পাৰিব।

⇨ ব্যাকৰণৰ নীতি-নিয়ম যথাযথভাৱে প্ৰয়োগ কৰি লিখনৰ মান উন্নত কৰিব পাৰিব।

⇨ সৃজনীশীল লেখাৰ জৰিয়তে নিজৰ সুপ্ত প্ৰতিভা প্ৰকাশ কৰাৰ দক্ষতা লাভ কৰিব।
⇨ বিভিন্ন ধৰণৰ চিঠি, আবেদন আদি লিখাৰ দক্ষতা আহৰণ কৰিব।
⇨ লিখনৰ দ্ৰুততা বঢ়াব পাৰিব।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি আমি বানান নিৰ্ভুল কৰাৰ বাবে উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰিম।
⇨ বানান শিকনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।
⇨ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে বানান ভুলৰ সমস্যাৰ হাত সাৰিব পাৰিম।
⇨ ক্ৰিয়া-কলাপ অনুশীলনীৰ পৰিকল্পনা কৰিব পাৰিম।
⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

**এই গোটটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

এই গোটটো অধ্যয়নৰ যোগেদি শিক্ষক হিচাপে আমি ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ বাবে ক্ৰিয়া-কলাপৰ লগত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম।

⇨ জড়িত কৰাৰ কাৰণেও পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
⇨ বিষয়বস্তুৰ অনুসন্ধানৰ বাবে সুবিধা দিব পাৰিম।
⇨ বিষয়বস্তুৰ ব্যাখ্যা কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
⇨ বিষয়বস্তুৰ বিস্তৃত জ্ঞান লাভৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
এই কেইটা স্তৰৰ জৰিয়তে নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।
⇨ অভ্যাস অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।
⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) যতি বিৰাম চিহ্ন ব্যৱহাৰ কৰি শ্ৰুতলিপি লিখিব পৰা। | ➢ শ্ৰুতলিপিৰ উপযোগী যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা, কঠিন শব্দ আৰু নতুন শব্দৰ অৰ্থৰ তালিকা।<br>➢ বাক্য বা পৰিচ্ছেদৰ তালিকা। | দলগত ক্ৰিয়া-কলাপ | ১) তলৰ কথাখিনি মনোযোগেৰে শুনি শুদ্ধ বানান আৰু যতিচিহ্ন প্ৰয়োগ কৰি পুনৰ লিখা —<br>➢ বা কি সুন্দৰ চিত্ৰ<br>➢ তুমি যে আহিবা মই ভাবিবই পৰা নাছিলো<br>➢ অ মোৰ আপোনাৰ দেশ গীতটোক কি সংগীত বোলে | অ বি ৰ ত আ ৰু সা ম গ্ৰী ক মূ ল্যা য় ন |
| ২) দ্ৰুত লিখনৰ কৌশল আয়ত্ত কৰা। | | ক্ৰিয়া-কলাপ | ২) তোমালোকে ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহাৰ সময়লৈ কি কি কৰিলা, পাঁচটা বাক্যৰ ভিতৰত লিখা। | |
| ৩) যিকোনো শুনা বা দেখা ঘটনা পৰ্যায়ক্ৰমে বৰ্ণনা কৰি লিখিব পৰা। | | ক্ৰিয়া-কলাপ | ৩) বিদ্যালয়ত পালন কৰা যিকোনো দিৱস এটাৰ বিষয়ে তোমাৰ ভাষাত লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

নাৰায়ণ চমুৱা চাবুৱা অঞ্চলৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। যোৱা গুণোৎসৱত সপ্তম শ্ৰেণীৰ অসমীয়া ভাষাৰ লিখন কৌশল মূল্যায়নৰ বাবে শ্ৰুতলিপি লিখনৰ সময়ত চমুৱাছাৰে মন কৰিছিল যে তেখেতৰ বিদ্যালয়ৰ ১৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে দফাটোৰ ৫ৰ পৰা ৮ টা শব্দ এৰি গৈছে। যতি চিহ্নবোৰ

বুজি সঠিকভাৱে লিখিব পৰা নাই। যুক্তাক্ষৰ আৰু ৪ টাতকৈ অধিক বৰ্ণ থকা শব্দৰ বানানবোৰ ভুলকৈ লিখিছে। ১০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে দন্তীয় আৰু মূৰ্ধন্য, ই( ি) কাৰ আৰু ঈ ( ী) কাৰ ভুল কৰিছে আৰু ৮ গৰাকী মানে কোনোটো বাক্যকেই সম্পূৰ্ণকৈ লিখিব পৰা নাই।

চমুৱাছাৰে ওপৰোক্ত সকলোবোৰ শিকন ঘাটি আঁতৰ কৰিবৰ বাবে শ্ৰুতলিপিৰ সঠিক অভ্যাসকে অকণমান বেলেগধৰণে পৰিকল্পনা কৰিলে।

প্ৰথমে চমুৱাছাৰে পাঠ্যপুথিৰ পৰা ওপৰোক্ত শিকনৰ ফলাফল সমূহৰ উপাদান থকা পাঠ নং ১০ৰ (যান্ত্ৰিক মগজু), ৬৩ নং পৃষ্ঠাত থকা ‘কম্পিউটাৰৰ ব্যৱহাৰ দিনে দিনে দ্ৰুতগতিত অবিশ্বাস্যভাৱে আগবাঢ়িছে। বতৰ বিজ্ঞান, কৃষি বিজ্ঞান, অফিচৰ কাম, বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ, মনোৰঞ্জন (ভিডিঅ’ গেম খেলা, গান শুনা, ছবি আঁকা , চিনেমা চোৱা), বিভিন্ন উদ্যোগৰ কাম-কাজ, বিজ্ঞানৰ মৌলিক গৱেষণা, প্ৰযুক্তি বিদ্যা, মহাকাশ বিজ্ঞান, ব্যৱসায়-বাণিজ্যৰ কাম, চিকিৎসা-বিজ্ঞান, প্ৰতিৰক্ষা, বজাৰৰ বস্তু কিনা-বেচা কৰা, খেলৰ লগৰী হোৱা, পুলিচী তদন্ত ইত্যাদি এনে কোনো ক্ষেত্ৰ নাই য’ত কম্পিউটাৰ সফলতাৰে ব্যৱহৃত হোৱা নাই। শ্ৰেণীকক্ষত কায়িকভাৱে উপস্থিত নথকাকৈও পৃথিৱীৰ যিকোনো ঠাইৰ পৰা কম্পিউটাৰৰ জৰিয়তেই শ্ৰেণীত উপস্থিত থাকিব পাৰি, শিক্ষক বা সহপাঠীসকলৰ সৈতে আলাপ-আলোচনা কৰিব পাৰি কম্পিউটাৰৰ ইন্টাৰনেট সেৱাৰ জৰিয়তে দিহা পৰামৰ্শ গ্ৰহণ কৰিব পাৰে’, এই ৯ শাৰীৰ দফাটো নিৰ্বাচন কৰি ল’লে। ইয়াত ২৫ টা যুক্তাক্ষৰ, চাৰিঠাইত দাড়ি, ২০ ঠাইত কমা, এঠাইত চন্দ্ৰ বন্ধনী আৰু কেইবাটাও ডেচ্ (-) চিনৰ ব্যৱহাৰ আছে। প্ৰায় ৫০ টা শব্দৰো অধিক শব্দৰ এটা দীঘলীয়া বাক্য আছে।

**প্ৰস্তুতি ঃ**

⇨ নাৰায়ণ চমুৱাছাৰে উক্ত দফাটো শ্ৰেণীকোঠাত শ্ৰুতলিপি দিয়াৰ আগতে পাঠটোত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰৰ এখন তালিকা পুৰণি কেলেণ্ডাৰৰ পিঠিত ডাঙৰ ডাঙৰকৈ লিখি ল’লে।

⇨ কঠিন শব্দ আৰু নতুন শব্দবোৰৰ অৰ্থ সহ, আন এখন তালিকা প্ৰস্তুত কৰিলে।

শ্ৰেণী কোঠাত নাৰায়ণ চমুৱছাৰে উক্ত দফাটো ছাত্ৰ-ছাত্ৰীসকলক এবাৰ মৌন পঠন কৰিবলৈ ক’লে। তাৰ পাছত নিজে যতি বিৰাম চিহ্নৰ নিখুঁত ব্যৱহাৰেৰে এবাৰ ধীৰে ধীৰে পঢ়ি শুনালে। তাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক লিখিবলৈ দুটা বা তিনিটা শব্দৰ গোট কৰি তিনিবাৰকৈ কৈ গ’ল, যতি বিৰাম চিহ্ন আদি য’ত যেনেদৰে আছে তাকো যথা স্থানত বিবৰি দি কৈ গ’ল। শেষত পুনৰ এবাৰ ধীৰে ধীৰে পঢ়ি শুনালে আৰু ছাত্ৰ-ছাত্ৰীসকলক ৰৈ যোৱা শব্দ বা যতি বিৰাম চিহ্নবোৰ লিখিবলৈ উৎসাহিত কৰিলে।

তাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মাজতেই বহীবোৰ সলনা-সলনি কৰি পাঠ্যপুথিত চাই ভুলবোৰ চিহ্নিত কৰিবলৈ দিলে। প্ৰত্যেককে কিমানটা যুক্তাক্ষৰযুক্ত শব্দ, কিমানটা যতি চিহ্ন, কিমানটা ‘ ি’ আৰু ‘ ী’ কাৰ আৰু কিমানটা দন্তীয় -মূৰ্ধন্যৰ ভুল কৰিলে, উলিয়াই ল’বলৈ কলে। তিনিবাৰকৈ দাড়ি, কমা, উৰ্দ্ধকমা আদি চিহ্নবোৰ চিনাক্ত কৰণৰ বাবে ক’লা ফলকত লিখি চিনাকি কৰাই দিলে আৰু ব্যৱহাৰৰ তাৎপৰ্য্য আলোচনা কৰিলে।

চমুৱাছাৰে যুক্তাক্ষৰযুক্ত শব্দৰ তালিকাখন ওলোমাই দিলে। তিনি চাৰিজনীয়া দল গঠন কৰি দলগত ভাৱে তাত থকা শব্দবোৰৰ যুক্তাক্ষৰবোৰ ভাঙিবলৈ দিলে। দলৰ ভিতৰত সলনা-সলনি কৰি ভুলবোৰ বাছি উলিৱাবলৈ দিলে। চমুৱাছাৰে সকলোবোৰ যুক্তাক্ষৰৰ ভাঙনিৰ শুদ্ধাশুদ্ধ বিচাৰত সহায়ক হ’বৰ বাবে ক’লা ফলকত নিজে ভাঙনিবোৰ লিখি দিলে। পুনৰ শুদ্ধকৈ লিখিবলৈ দিলে। শব্দবোৰৰ আনুমানিক অৰ্থ লিখিবলৈ উৎসাহিত কৰিলে। তাৰ পাছত শব্দ অৰ্থৰ তালিকাখন ওলোমাই দিলে আৰু তাত থকা শব্দবোৰ সমানভাৱে প্ৰতিটো দলৰ মাজত ভগাই দিলে আৰু প্ৰতিটো শব্দৰে ২ টাকৈ নতুন বাক্য লিখিবলৈ দিলে। বাক্যবোৰ প্ৰতি দলৰ এজনক পাঠ কৰিবলৈ দিলে আৰু আন দলৰ সদস্যসকলে বাক্যবোৰৰ বিষয়ে মতামত আগবঢ়ালে আৰু চমুৱাছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আলোচনাৰ জৰিয়তে শুদ্ধাশুদ্ধ বিচাৰ কৰিলে।

তাৰপাছত চমুৱাছাৰে যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক নতুন শব্দ গঠনৰ বাবে উৎসাহিত কৰিলে। তাৰ বাবে তলত দিয়া ধৰণৰ শব্দগঠনৰ মননশীল খেলটো খেলিবলৈ দিলে।

| | | | | | |
|---|---|---|---|---|---|
| | | | ক | ল্প | না |
| ভূ | মি | ক | ম্প | | |
| | ন | ন্দ | ন | | |
| | | ৰ্প | | | |

শেষত পুনৰ প্ৰথমতে দিয়া শ্ৰুতলিপিখিনি চমুৱা ছাৰে ছাত্ৰ-ছাত্ৰীসকলক লিখিবলৈ দিয়াত দুই এজনৰ সাধাৰণ এটা বা দুটা ভুলৰ বাহিৰে আটাইৰে শ্ৰুতলিপি সম্পূৰ্ণ শুদ্ধ হৈছিল।

এনেদৰে গোটেই প্ৰক্ৰিয়াটো সমাপ্ত কৰোঁতে চমুৱা ছাৰে ৪ দিনত চাৰিটা কালাংশ (period) ব্যৱহাৰ কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলেও বৰ উৎসাহ আৰু আনন্দৰে কাৰ্যসমূহত অংশগ্ৰহণ কৰিছিল। চমুৱা ছাৰে নিজেও বৰ সন্তুষ্টি অনুভৱ কৰিছিল।

*বিঃদ্ৰঃ - নাৰায়ণ চমুৱাই শ্ৰেণীকোঠাত থকা দিব্যাংগ ছাত্ৰজনৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক -**

⇨ চমুৱা ছাৰে কিয় বাৰে বাৰে ছাত্ৰ-ছাত্ৰীসকলক লিখনত জড়িত কৰিছিল?

⇨ সকলো পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীকে মূল্যায়ন কৰাত চমুৱা ছাৰ সফল হৈছিলনে?

⇨ ইয়াৰ উপৰি আৰু কিবা অতিৰিক্ত ক্ৰিয়া-কলাপ সংযোগ কৰিব পাৰি নেকি?

**ক্ৰিয়া-কলাপ ঃ**

**প্ৰস্তুতি ঃ**

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কৰোৱাৰ আগতে তলৰ শিক্ষণ-শিকন সামগ্ৰীসমূহ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

⇨ উৎসৱ-পাৰ্বণৰ ছবিৰ কেলেণ্ডাৰ।

⇨ বাতৰি-কাকত, আলোচনী আদিৰ পৰা কাটিলোৱা নাটক, চিনেমাৰ দৃশ্যাংশৰ ছবি।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক যুৰীয়াকৈ ভাগ কৰি প্ৰতিটো দলকে একোখনকৈ উৎসৱ-পাৰ্বণৰ ছবি বা কেলেণ্ডাৰ, নাটক আৰু চিনেমাৰ দৃশ্যাংশৰ ছবি পৰ্যৱেক্ষণ কৰিবলৈ দিব। ছবিখন কিছুসময় পৰ্যৱেক্ষণ কৰাৰ পাছত ছবিখনৰ তাৎপৰ্য ব্যাখ্যা কৰি ১০০ টা শব্দৰ ভিতৰত লিখিবলৈ দিব। যি কেইটা দলত বিভিন্ন নাটক, চিনেমাৰ দৃশ্যাংশৰ ছবি পৰিছে তেওঁলোকেও ছবি পৰ্য্যৱেক্ষণ কৰি সেই ছবিবোৰক কিছুমান চৰিত্ৰলৈ ৰূপান্তৰ কৰি তেওঁলোকৰ মুখত কিছুমান সংলাপ (dialogue) দি এটি কথোপকথন যুগুত কৰিব। শেষত এইদৰে প্ৰতিটো দলে নিজৰ ভাগত পৰা ছবিখন দেখুৱাই তেওঁলোকে কি দেখিছে পঢ়ি শুনাব। সকলোৱে ভালদৰে শুনিব আৰু যদি কিবা সংযোগ কৰিব লাগে ক'ব। শিক্ষকেও ভুল হ'লে শুধৰাই দিব আৰু যদি ভাল হয়, তেনেহ'লে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ তেওঁলোকৰ লিখনিবিলাক ছবিখনেৰে সৈতে ডাঠ কাগজত লগাই বেৰত আঁৰি ৰাখিব। যি বিলাকৰ ভাগত নাটক, চিনেমাৰ দৃশাংশৰ ছবি পৰিব, তেওঁলোকে ছবিত থকা চৰিত্ৰ অনুযায়ী সংলাপ লিখি নাট্যাভিনয় কৰিব। এইদৰে বেলেগ বেলেগ ছবি সংগ্ৰহ কৰি নাইবা, বিভিন্ন পটভুমি, বিষয় আদি— তেওঁলোকৰ মাজত লিখন অনুশীলনৰ বাবে এই ধৰণেৰে ভগাই দিব আৰু এনেধৰণৰ নতুন নতুন ক্ৰিয়া-কলাপ কৰাব পাৰিব।

*বিঃ দ্ৰঃ*

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি; সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ নেকি ভাবোঁ আহক!*

**সাৰাংশ ঃ**

লিখনৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰিবলৈ হ'লে বিভিন্নধৰণৰ ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ যথেষ্ট প্ৰয়োজন। যিকোনো পৰিৱেশত শুনা কাহিনী বা ঘটনাৱলী স্বাভাৱিক ক্ৰমত লিখিবলৈ হ'লে চিন্তাশক্তি বিকাশৰ লগতে বানান, যুক্তাক্ষৰ, যতিচিহ্ন আদি আটাইবোৰ দিশৰে বিকাশ হ'ব লাগিব। গতিকে এই আটাইবোৰ সম্ভৱ হ'ব কেৱল অভ্যাস আৰু অনুশীলনৰ পৰাহে।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -

⇨ তলত দিয়া শব্দকেইটাৰ পৰা শুদ্ধ শব্দ বাছি উলিওৱা—

আবিস্কাৰ, আৱিষ্কাৰ; অকাডেমী, একাডেমী; পুৰস্কাৰ, পুৰষ্কাৰ; প্ৰতিস্থান, প্ৰতিষ্ঠান; সামগ্ৰীক, সামগ্ৰিক; ভূল, ভুল।

⇨ তলৰ বাক্যকেইটাত যতি চিহ্ন ব্যৱহাৰ কৰা—

✦ বাঃ কি সুন্দৰ চিত্ৰ

✦ তুমি যে আহিবা মই ভাবিবই পৰা নাছিলো

✦ অ' মোৰ আপোনাৰ দেশ গীতটোক কি সংগীত বোলে

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ তোমালোকে ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহাৰ সময়লৈ কি কি কৰিলা— পৰ্যায়ক্ৰমে পাঁচটা বাক্যৰ ভিতৰত লিখা।

⇨ 'আমাৰ বিদ্যালয়' শীৰ্ষক ৮ শাৰীৰ এটি কবিতা লিখা।

⇨ বিদ্যালয়ত পালন কৰা যিকোনো দিৱস এটাৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি - নতুন পাঠ

⇨ TESS INDIA মডিয়ুল

⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি - হলিৰাম দাস।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান

***